## মুলুক দেশ বা ৰাজ্য নহয়, এটা জাতি

১৬ এপ্ৰিল, ২০২১ সংখ্যাৰ প্ৰান্তিকৰ পত্ৰালাপ শিতানত প্ৰকাশিত ড° অৱনী কুমাৰ শৰ্মাৰ 'ৰাজনৈতিক নেতাৰ নিৰ্বাচনৰ প্ৰচাৰ—তেতিয়াৰ আৰু এতিয়াৰ' শীৰ্ষক চিঠিখনৰ যোগেদি তেখেতে কৈছে—"...স্বচ্ছ-নিকা ভাবমূৰ্তিৰ আৰু প্ৰমূল্যবোধৰ পোষকতা কৰা ৰাজনৈতিক নেতা এসময়ত এই অসম মুলুকত দেখা পোৱা গৈছিল।" শৰ্মা ডাঙৰীয়াই উপৰ্যুক্ত বাক্যটোত ব্যৱহৃত 'অসম মুলুক' শব্দদ্বয়ৰ 'মুলুক' শব্দৰে নিশ্চয় দেশ বা ৰাজ্য অথবা ঠাই সুচাইছে। ব্যৱহৃত 'মুলুক' শব্দৰ বিষয়ে গোটাদিয়েক কথা দাঙি ধৰাই হৈছে এই লেখাটোৰ অৱতাৰণা।

আমাৰ হাতত থকা তথ্যমতে 'মুলুক' শব্দই দেশ বা ৰাজ্য অথবা ঠাই নুবুজায়; এটা জাতিকহে বুজায়। অৱশ্যে আভিধানিক অৰ্থই দেশ বা ৰাজ্য অথবা ঠাই সূচায় (দ্ৰষ্টব্যঃ চন্দ্ৰকান্ত অভিধান, শৰাইঘাট অভিধান, আধুনিক অসমীয়া শব্দকোষ)। সেয়েহে বোধকৰোঁ প্ৰায় সকলোৱে 'মুলুক' শব্দক দেশ, ঠাই নাইবা ৰাজ্য বুলিয়েই ব্যৱহাৰ কৰে। সু-সাহিত্যিক আৰু শিক্ষাবিদ ড° লীলা গগৈয়ে কৈছে—'মুলুকসকলৰ বাসস্থান সৌমাৰৰ উত্তৰ-পূব প্ৰান্তত। সম্ভৱতঃ চিংফৌ দোৱনীয়াসকলকে এই মুলুক শব্দই সামৰিছিল। এতিয়াও, ছেখোৱাৰ ওচৰত মুলুক গাঁও নামৰ পুৰণি গাঁৱৰ চিন আছে' *(দ্ৰষ্টব্যঃ অসমৰ সংস্কৃতি, পৃষ্ঠা-২৪)*। সুসাহিত্যিক, শিক্ষাবিদ আৰু পুৰাতত্ত্ববিদ ড° সূৰ্যকুমাৰ ভূঞাই (১৮৯৪-১৯৬৪) 'শদিয়া ৰণ' শীৰ্ষক টোকাটোত কৈছে—'... খামতিৰ বুঢ়াৰজা, ফাকিয়াল, মিৰি, মিচিমি, মুলুক, খাংখাক, আবৰ, এইবোৰে আকৌ গোট খাই আমাৰ সৈন্যক ধৰিলে। ...খামতিৰ বুঢ়াৰজা, ফাকিয়াল, নড়া, মুলুক এইবোৰক ধৰি বন্দী কৰিলে। ...টেকেলীয়া নগাবোৰক নফা দুৱাৰত, মুলুকবোৰক মৰঙীত, আৰু পানীনড়াক তিতাবৰহাটত পাতিলে *(দ্ৰষ্টব্যঃ সাতসৰী অসম বুৰঞ্জী, পৃষ্ঠা ১৪৪)*। শ্ৰীকুমাৰ দহোতীয়াই 'নতুন শদিয়াখোৱা গোহাঁই আৰু শদিয়া ৰণ' শীৰ্ষক লেখাটোত কৈছে—'... ১৭২১-২২ শকত শদিয়াৰ ৰণ ডাঙৰ হৈ আহিল। বাৰ চিৰিঙীয়া, এহেজাৰ কছাৰী, খামতিৰ বুঢ়াৰজা, পানীনৰা, ফাকিয়াল, মিৰি, মিচিমি, টেকেলীয়া নগা, মুলুক, আবৰ সকলোৱে একগোট হৈ শদিয়াখোৱা গোহাঁইৰ বিৰুদ্ধে ৰণ তৰিলে' *(দ্ৰষ্টব্য ঃ শদিয়াৰ বৰ্ণময় বুৰঞ্জী, পৃষ্ঠা-১১৬)*। সেইদৰে গুৱাহাটীৰ আৰতি ফুকনে লিখা 'মুলুক' *(মে' ২০০২ সংখ্যা, গৰীয়সী দ্ৰষ্টব্য)* শিৰোনামৰ চিঠিখন পঢ়ি আমাৰ এইটো প্ৰতীয়মান হয় যে মুলুকে দেশ বা ঠাই নতুবা ৰাজ্য নুবুজায়; এটা অধুনালুপ্ত জনগোষ্ঠীকহে সূচায়। উপৰ্যুক্ত পত্ৰখনত ফুকনে দাঙি ধৰা ১৮২৬-২৭ চনৰ কালছোৱাত অসমলৈ অহা ইংৰাজ বিষয়া আৰ উইলকক্সৰ কথাখিনি প্ৰণিধানযোগ্য—The Muluks and Khamtis who met us were extremely civil and Muluks are a distinct tribe, and their language has no affinity with that of any other neighbouring tribe...In former times they were an independent people *(Memoir of a Survey of Assam and Neighbouring countries executed in 1825-26-27-28 by Lt. R Wilcox in Hill tracts between Assam and Burma, Selection of papers, reprint 1981, pp.68-69)*।

আৰতি ফুকনে উপৰ্যুক্ত চিঠিখনত গোটাদিয়েক গুৰুত্বপূৰ্ণ তথ্য দাঙি ধৰিছে—"মুলুকসকল বহুকাল জুৰি ম্যানমাৰ দেশৰ চিন্দু নৈ আৰু ইৰাৱতীৰ উজনিত বাস কৰিছিল। কিছু লোক পাটকাই পৰ্বত পাৰ হৈ অসমতো সোমাইছিল। ...অষ্টাদশ শতিকাৰ মাজভাগত ক'নবং বংশৰ প্ৰথম বৰ্মী নৃপতি আলোংপায়াৰ আগ্ৰাসনে উজনি ম্যানমাৰৰ ছান (তাই) ৰজাসকলৰ স্বাধীনতা হৰণ কৰাৰ ফলত তেওঁলোক দুৰ্বল হৈ পৰে। সেই সুযোগতে চিংফৌসকল শক্তিশালী হৈ উঠি হু-পং/ হু-কং উপত্যকাৰ মুলুকসকলক জোৰ-জুলুম কৰে। কিছুমানক ধৰি নিয়ে, বাকীসকল ভাগি গৈ উজনি ইৰাৱতী খামতি লুঙৰ খামতিসকলৰ আশ্ৰয় গ্ৰহণ কৰে আৰু তেওঁলোকৰ ওচৰতে থাকিবলৈ লয়। ...১৮২৬-২৭ চনত ইংৰাজ বিষয়া আৰ উইলকক্স (R Wilcox) আৰু ৱাৰ্লটন ফুংগন (Phungan) গিৰিপথ পাৰ হৈ গৈ খাম-তি লুঙত মুলুকসকলক লগ পাইছিল। তাত তেতিয়া তেওঁলোকৰ জনসংখ্যা আছিল পাঁচশ ঘৰ। সাজ-পোছাক খামতিসকলৰ দৰেই আছিল যদিও ভাষা সুকীয়া আছিল। বৰ্মীসকলে মুলুকসকলক মু-লু/মু-ৰু বোলে।"

'মুলুক' শব্দই যে জাতিবাচক শব্দ সূচায়, এই বিষয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯-১৫৬৮) বিৰচিত 'ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধ'ত এইদৰে স্পষ্টকৈ দাঙি ধৰিছে—

"কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুৱাছ ম্লেচ্ছ চণ্ডাল।।
আনো জাতি নৰ কৃষ্ণৰ সেৱাৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠ সুখে চলয়।।"

এইদৰে মহাপুৰুষ শংকৰদেৱে কিৰাত, কছাৰী, খাচি, গাৰো, মিৰি, যৱন, কংক, গোৱাল প্ৰভৃতি জাতি-জনজাতিৰ নাম অন্তৰ্ভুক্ত কৰি পাহাৰ-ভৈয়ামৰ ঐক্য-সংহতিৰ সাঁকো নিৰ্মাণ কৰিছিল। এতিয়া কথা হ'ল—শংকৰদেৱে সম্প্ৰীতিপূৰ্ণ এখন বিস্তৃত সমাজ গঢ় দিবলৈ যাওঁতে উপৰ্যুক্ত পদফাকিৰ পোন্ধৰটা শব্দই অৰ্থাৎ কিৰাত, কছাৰী, খাচি, গাৰো, মিৰি, অসম বা আহোম, মুলুক, ৰজক, তুৰুক, কুৱাচ, ম্লেচ্ছ, চণ্ডাল ইত্যাদি জাতিবাচক শব্দ ব্যৱহাৰ কৰিছে। এনে ক্ষেত্ৰত 'মুলুক' শব্দক এঘৰীয়া কৰি কেৱল দেশবাচক বা স্থানবাচক শব্দত ব্যৱহাৰ কৰি অৰ্থৰ বিসংগতি কেতিয়াও নকৰে যেন লাগে। আনহাতে দ্বিতীয় পদফাকিত 'আনো জাতি নৰ...' বুলি যিষাৰ কথা ক'লে; সেইটোৱে তাৰ উপৰি অন্যান্য জাতিৰ কথাকেই কৈছে।

গতিকে দেখা যায় 'মুলুক' শব্দই দেশ বা স্থানবাচক শব্দ নুসূচায়; জাতিবাচক শব্দকে সূচায়।

**কুমুদ শইকীয়া,**
বামপৰ্বতীয়া, ছহিদ ভুপেন ডেকা পথ,
পদুমৰা চুবুৰি, তেজপুৰ-৭৮৪০০১,
ফোন ঃ ৯৬৭৮৭৪০৬২৫

## অফিছিয়েল ৱেবছাইট সন্দৰ্ভত...

প্ৰান্তিকৰ ১ মাৰ্চ, ২০২১ সংখ্যাত প্ৰকাশিত ৰুদ্ৰসিংহ মটকৰ চিঠিখনৰ সন্দৰ্ভত জনাব খোজোঁ যে ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ (এন আই ছি) কাৰিকৰী নিৰ্দেশনা আৰু উপায়ুক্ত কাৰ্যালয়ৰ সহযোগিতাত ২০০২ চনতেই অসমৰ প্ৰত্যেক জিলাৰ বাবে একোটাকৈ চৰকাৰী ৱেবছাইট প্ৰস্তুত কৰা হৈছিল আৰু সেইসমূহ এতিয়াও কাৰ্যকৰী হৈ আছে। উল্লেখযোগ্য যে প্ৰথমাৱস্থাত ৱেবছাইটসমূহ সংশ্লিষ্ট উপায়ুক্ত আৰু জিলা তথ্য বিজ্ঞান কেন্দ্ৰসমূহৰ নিজা ধাৰণা আৰু আৰ্হিৰে প্ৰস্তুত কৰা হৈছিল বাবে সকলো ৱেবছাইট বেলেগ বেলেগ ধৰণৰ আছিল। কিন্তু ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ, অসমে ই-প্ৰস্তুতি নামৰ এটা কাঠামো ব্যৱহাৰ কৰি অসমৰ সকলো চৰকাৰী ৱেবছাইটৰ ৰূপ আৰু আৰ্হি একেধৰণৰ কৰি তোলে। ৱেবছাইটসমূহত পোৱা সকলো তথ্য উপায়ুক্তৰ কাৰ্যালয় তথা চৰকাৰী নীতি-নিৰ্দেশনা অনুযায়ী আপলʼড কৰা হয় আৰু কেৱল কাৰিকৰী দিশটোহে ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰই চোৱাচিতা কৰে। মটক ডাঙৰীয়াৰ জ্ঞাতাৰ্থে জনাব খোজোঁ যে ডিমা হাছাও আৰু কামৰূপ মেট্ৰ' জিলাৰ ৱেবছাইটৰ ঠিকনা দুটা হৈছে—dimahasao.assam.gov.in আৰু kamrupmetro.assam.gov.in। বাকী সকলো জিলাৰ ঠিকনা assam.gov.in নামৰ অসম চৰকাৰৰ ৱেবছাইটত পোৱা যায়।

**দীপাংক বৰা,**
বিজ্ঞানী—ছি আৰু জিলা তথ্য বিজ্ঞান বিষয়া,
ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ, জিলা উপায়ুক্তৰ
কাৰ্যালয়, ডিমা হাছাও, হাফলং-৭৮৮৮১৯,
ফোন ঃ ৯৪৩৫১৮০৫০৪